# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-06-2026
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ জৰিয়তে এখন সৰ্বাত্মক আৰু সমতাৰ আদৰ্শেৰে উদ্বুদ্ধ সমাজ গঢ়াৰ বাবে আহ্বান জনাইছে।

২। ভাৰতে ২৬ খনৰো অধিক দেশৰ সৈতে ২৮ খন প্ৰব্ৰজন আৰু গতিশীলতা অংশীদাৰিত্ব চুক্তিত স্বাক্ষৰ কৰিছে।

৩। জাপানৰ প্ৰধানমন্ত্ৰী চানায়ে তাকাইচি যোড়শ ভাৰত-জাপান বাৰ্ষিক সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে কাইলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব।

৪। ৰাষ্ট্ৰসংঘই আফগানিস্তানৰ বিভিন্ন অঞ্চলত চলোৱা পাকিস্তানৰ বিমান আক্ৰমণৰ ঘটনাক তীব্ৰ গৰিহণা দিছে।

*আৰু*

৫। ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নক-আউট পৰ্য্যায়ৰ খেলত আজি নিশা চাৰে ১০ বজাত আইভৰি ক'ষ্ট, নৰৱেৰ সন্মুখীন হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ জৰিয়তে এখন সৰ্বাত্মক আৰু সমতাৰ আদৰ্শেৰে উদ্বুদ্ধ সমাজ গঢ়াৰ বাবে আহ্বান জনাইছে। অন্ধ্ৰ প্ৰদেশৰ বিশাখাপট্টনমৰ কেন্দ্ৰীয় জনজাতি বিশ্ববিদ্যালয়ৰ প্ৰথম দীক্ষান্ত সমাৰোহক সম্বোধি শ্ৰীমতী মুৰ্মুৰে এই আহ্বান জনায়। তেওঁ কয়, যে শিক্ষিত যুৱক-যুৱতীসকলে কেৱল তেওঁলোকে নিজে আগবাঢ়ি যোৱাৰ কথা ভৰা উচিত নহয়, বৰং সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলৰ উন্নয়নৰ বাবে কাম কৰি ৰাষ্ট্ৰ গঠনত অৱদান আগবঢ়োৱা উচিত। শ্ৰীমতী মুৰ্মুৰে শিক্ষাৰ্থীসকলক সামাজিক পৰিৱৰ্তনৰ একোগৰাকী প্ৰতিনিধি হিচাপে নিজক আগবঢ়াই লৈ যোৱাৰ বাবে আহ্বান জনায়। তেওঁ কয়, যে শিক্ষা নিয়োগ সুনিশ্চিত কৰাৰ লগতে সমাজ, সাংস্কৃতিক পৰম্পৰা আৰু অৰ্থনৈতিক উন্নয়নক শক্তিশালী কৰাৰ এটা প্ৰধান আহিলা। শ্ৰীমতী মুৰ্মুৰে প্ৰতিগৰাকী শিক্ষিত যুৱক-যুৱতীক পিচ পৰা আৰু অনগ্ৰসৰ লোকসকলক সহায়ৰ জৰিয়তে ২০৪৭ চনৰ ভিতৰত এখন বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ সপোনক বাস্তৱায়িত কৰাৰ আহ্বান জনায়। অৰ্থপূৰ্ণ শিক্ষা ব্যৱস্থাত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে শিক্ষাৰ্থীসকলে প্ৰতিষ্ঠানগত শিক্ষা বাস্তৱ জীৱনৰ জ্ঞানৰ সৈতে একত্ৰিত কৰি তেওঁলোকৰ সংস্কৃতি, পৰম্পৰা আৰু সম্প্ৰদায়ৰ সৈতে জড়িত হৈ থকা উচিত। দ্ৰুত পৰিৱৰ্তনশীল বিশ্বৰ প্ৰত্যাহ্বানসমূহৰ মুখামুখি হোৱাৰ বাবে প্ৰয়োজনীয় নতুন দক্ষতা আহৰণৰ ক্ষেত্ৰত এই দৃষ্টিভংগী যথেষ্ট সহায়ক হ'ব বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে কেন্দ্ৰীয় জনজাতি বিশ্ববিদ্যালয়সমূহৰ দৰে সামাজিক ন্যায়ৰ বিষয়-বস্তুক অগ্ৰাধিকাৰ দিয়া শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ, জনজাতীয় শিক্ষা, স্বাস্থ্য সেৱা, দক্ষতা বিকাশ, বনাঞ্চলৰ অধিকাৰ আদি বিষয়সমূহক উৎসাহ যোগোৱাৰ ক্ষেত্ৰত বিশেষ দায়িত্ব আছে। শ্ৰীমতী মুৰ্মুৰে জনজাতীয় লোকসকলৰ সৱলীকৰণৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তি হাব, জনজাতীয় দক্ষতা বিকাশ কেন্দ্ৰ, তৃণমূল পৰ্য্যায়ত উন্নয়ন কাৰ্য্যসূচী আদিৰ দৰে বিষয়বস্তুসমূহক আগুৱাই নিয়াৰ বাবে বিশ্ববিদ্যালয়খনে গ্ৰহণ কৰা পদক্ষেপক ভূয়সী প্ৰশংসা কৰে।

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কয়, যে জনজাতীয় সমাজতে  দেশৰ শিক্ষা ব্যৱস্থাৰ শিপা লুকাই আছে, যিয়ে প্ৰকৃতি, বনাঞ্চল, কৃষি, পশুধন আদিৰ দৰে বিভিন্ন বিষয়ৰ জ্ঞানক সামৰি লৈছে। মন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলক চাকৰি বিচৰাৰ সলনি চাকৰি সৃষ্টি কৰাত গুৰুত্ব আৰোপ কৰাৰ আহ্বান জনায়।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি কয়, যে ভাৰতে ২৬ খনৰো অধিক দেশৰ সৈতে ২৮ খন প্ৰব্ৰজন আৰু গতিশীলতা অংশীদাৰিত্ব চুক্তিত স্বাক্ষৰ কৰিছে। তেওঁ অবৈধ প্ৰব্ৰজন, শোষণমূলক প্ৰথা, প্ৰবঞ্চনামূলক মধ্যস্থতাকাৰী আৰু মানৱ সৰবৰাহৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত দেশৰ সামুহিক দায়বদ্ধতাৰ কথা উল্লেখ কৰে। তেওঁ নতুন দিল্লীত আজি মানৱ সম্পদ গতিশীলতা মঞ্চত ভাষণ দি এই কথা উল্লেখ কৰে। তেওঁ প্ৰব্ৰজনৰ ক্ষেত্ৰত প্ৰশাসনিক সংস্কাৰৰ বাবে ডিজিটেল ব্যৱস্থা আৰু সঁজুলি ব্যৱহাৰৰ কথা প্ৰকাশ কৰে। ড০ জয়শংকৰে কয়, যে ই-প্ৰব্ৰজন মঞ্চ মুকলি কৰাৰে পৰাই এই মঞ্চৰ জৰিয়তে ৫০ লাখৰো অধিক লোকক প্ৰব্ৰজনৰ অনুমতি দিয়া হৈছে। তেওঁ লগতে নিৰাপদ, শৃংখলাবদ্ধ, বৈধ প্ৰব্ৰজন নিশ্চিত কৰাৰ ক্ষেত্ৰত দ্বিপাক্ষিক সহযোগিতাৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰযুক্তিগত উদ্ভাৱনে উদ্যোগসমূহক অভূতপূৰ্ব গতিৰে নতুন ৰূপ দিছে। তেওঁ কয়, যে বৰ্তমান বিশ্বত কৃত্ৰিম বুদ্ধিমত্তা, স্বয়ংক্ৰিয়কৰণ, ডিজিটেলাইজেচন আৰু সেউজ পৰিৱৰ্তনে ভৱিষ্যৎ অৰ্থনীতিৰ বাবে প্ৰয়োজনীয় দক্ষতা পুনৰ সংজ্ঞায়িত কৰিছে। তেওঁ কয়, যে অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত মানৱ সম্পদ অন্যতম গুৰুত্বপূৰ্ণ কাৰক হিচাপে উদ্ভাষিত হৈ উঠিছে। তেওঁ লগতে কয়, যে আকাংক্ষাক সুযোগৰ সৈতে সংযোগ কৰা, চাহিদাৰ সৈতে প্ৰতিভাক সংযোগ কৰা আৰু ব্যক্তিসকলৰ বাবে পথ সৃষ্টি কৰা যাতে, অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত অৱদান আগবঢ়াব পাৰে। ড০ জয়শংকৰে কয়, যে গতিশীলতাৰ ক্ষেত্ৰত ভাৰতৰ দৃষ্টিভংগী কেৱল দেশসমূহত নিয়োগৰ সুবিধা সহজ কৰি তোলাত সীমাবদ্ধ নহয়, বৰঞ্চ আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ ক্ষেত্ৰত এটা অতি গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে বিবেচিত হৈছে।

ড০ জয়শংকৰে কয়, যে এই মঞ্চই ধাৰণাৰ আদান-প্ৰদান, অভিজ্ঞতাৰ পৰা শিক্ষা, গতিশীলতাৰ বাবে নতুন অন্বেষণ কৰাৰ সুবিধা প্ৰদান কৰিছে। তেওঁ লগতে কয়, যে এই কাৰ্য্যসূচীয়ে নীতি-নিৰ্ধাৰকসকল, ঔদ্যোগিক নেতা, নিয়োগকৰ্তা আৰু ইয়াৰ অনুশীলনকাৰীসকলক একত্ৰিত কৰে। তেওঁ কয়, যে ভাৰতে সমগ্ৰ বিশ্বৰ ইয়াৰ অংশীদাৰী দেশসমূহৰ সৈতে কাম কৰাৰ বাবে সাজু হৈ আছে। ইয়াৰ উপৰি বিশ্বাসযোগ্য গতিশীলতাৰ পথে অৰ্থনৈতিক ভেঁটি সৱল কৰাৰ লগতে সামাজিক সহনশীলতা আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা অধিক গভীৰ কৰে।

০০০০০

জাপানৰ প্ৰধানমন্ত্ৰী চানায়ে তাকাইচি ষোড়শ ভাৰত জাপান বাৰ্ষিক সন্মিলনত ভাগ লোৱাৰ উদ্দেশ্যে কাইলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জানিবলৈ দিছে যে, এই সন্মিলনে ভাৰত আৰু জাপানৰ দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন দিশ পৰ্য্যালোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থজড়িত আঞ্চলিক আৰু গোলকীয় বিষয়সমূহ সন্দৰ্ভত মত-বিনিময় কৰাৰ সুযোগ প্ৰদান কৰিব। ভাৰত ভ্ৰমণৰ দ্বিতীয় দিনা তাকাইচিক ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিক সম্বৰ্ধনা জনোৱা হ'ব। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। নেতা দুগৰাকীয়ে দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ অগ্ৰগতিৰ পৰ্য্যালোচনা কৰাৰ লগতে সহযোগিতা অধিক সুদৃঢ় কৰাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোচনা কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে, ভাৰত আৰু জাপানৰ মাজত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ হোৱাৰ কথা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু জাপানৰ প্ৰধানমন্ত্ৰীয়ে এই আলোচনাৰ পাছতে নতুন দিল্লীত ভাৰত-জাপান বাণিজ্যিক মঞ্চত অংশগ্ৰহণ কৰিব। জাপানৰ প্ৰধানমন্ত্ৰী তাকাইচিৰ এয়া হ'ব প্ৰথমটো আনুষ্ঠানিক ভাৰত ভ্ৰমণ।

০০০০০

ৰাষ্ট্ৰসংঘৰ আফগানিস্তানৰ স্থায়ী প্ৰতিনিধিগৰাকীয়ে আফগানিস্তানৰ পাকটিয়া, পাখটিয়া আৰু কুনাৰ অঞ্চলত পাকিস্তানৰ বিমান আক্ৰমণৰ ঘটনাক তীব্ৰ গৰিহণা দিছে। এই আক্ৰমণত শিশু আৰু মহিলাকে ধৰি ৩৬ গৰাকী অসামৰিক লোকৰ মৃত্যু হোৱাৰ লগতে ১৬৩ গৰাকী লোক আহত হৈছে। আন্তঃৰাষ্ট্ৰীয় আইন উলংঘাৰ অভিযোগ তুলি প্ৰতিনিধিগৰাকীয়ে পাকিস্তানক তাৎক্ষণিকভাৱে এই আক্ৰমণ বন্ধ ৰাখিবলৈ আহ্বান জনাইছে। তালিবানৰ উপ-মুখপাত্ৰ হাম্দুল্লা ফিৎৰতে এটা বিজ্ঞপ্তিযোগে জানিবলৈ দিছে যে, ২৮ জুনৰ নিশা পাকিস্তানে দেশখনত বিমান আক্ৰমণ চলায়। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনীও গুটাৰেছে উভয় দেশকে তাৎক্ষণিকভাৱে সংঘাত বন্ধ কৰি অসামৰিক লোকৰ সুৰক্ষা সুনিশ্চিত কৰাৰ আহ্বান জনাইছে।

ooooo

কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে ৩ দিনীয়া ত্ৰিপুৰা ভ্ৰমণৰ অংশ হিচাপে আজি আগৰতলা পৌৰ নিগমৰ মহিলা বিষয়ববীয়া আৰু স্থানীয় মহিলা আত্ম-সহায়ক গোটৰ সদস্যসকলৰ সৈতে মত-বিনিময় কৰে। মন্ত্ৰীগৰাকীয়ে ত্ৰিপুৰাক এখন আদৰ্শ ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত মহিলাৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ ওপৰত আলোকপাত কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত মহিলাৰ যথেষ্ট অৱদান আছে বুলি উল্লেখ কৰে। ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্য্যালয়ত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে অংগনৱাড়ী কেন্দ্ৰসমূহক উন্নত কৰা আৰু পোষণ অভিযান সফলতাৰে ৰূপায়ণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অঞ্চলটোৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিৱদ্ধ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ১২ বছৰত ৫০ বাৰতকৈও অধিক বাৰ উত্তৰ পূৰ্বাঞ্চল ভ্ৰমণ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ ৰাজহুৱা কল্যাণ আঁচনিসমূহৰ সুবিধা যাতে সকলো নাগৰিকে লাভ কৰে, সেইটো সুনিশ্চিত কৰাৰ বাবে তেওঁ মহিলা নেতৃত্ব আৰু প্ৰতিনিধিসকলক সক্ৰিয়ভাৱে কাম-কাজ কৰি যোৱাৰ বাবে আহ্বান জনায়।

ooooo

অহা ৩ জুলাইত অমৰনাথ যাত্ৰা আৰম্ভ হ'ব। ৫৭ দিন ধৰি চলিবলগীয়া এই বাৰ্ষিক অমৰনাথ যাত্ৰাৰ বাবে কট্‌কটীয়া সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হৈছে। এইবাৰ ৫৫ হাজাৰ তীৰ্থযাত্ৰীক অমৰনাথ যাত্ৰাৰ সুবিধা দিয়া হ'ব। জম্মু-কাশ্মীৰৰ উপ-ৰাজ্যপাল তথা অমৰনাথ দেৱোত্তৰ ব'ৰ্ডৰ অধ্যক্ষ মনোজ সিন্‌হাই অমৰনাথ যাত্ৰাৰ প্ৰথমটো দলৰ পতাকা জোকাৰি শুভাৰম্ভ কৰিব।

ooooo

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নকআউট পৰ্যায়ৰ খেলত আজি নিশা চাৰে ১০ বজাত আইভৰি ক'ষ্ট নৰৱেৰ সন্মুখীন হ'ব। নিশা আঢ়ৈ বজাত হ'বলগীয়া অন্য এখন খেলত ফ্ৰান্স ছুইডেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

বিশ্বকাপত আজি পুৱা মৰক্কোৱে নেডাৰলেণ্ডক পেনাল্টিৰ সহায়ত ৩-২ গ'লত পৰাজিত কৰে। ইয়াৰ লগে লগে মৰক্কো প্ৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। পৰৱৰ্তী সময়ত মৰক্কো কানাডাৰ সন্মুখীন হ'ব। আজিৰ খেলখন নিৰ্ধাৰিত সময়ত ১-১ গ'লেৰে অমিমাংসিত হোৱাত দুয়োটা দল অতিৰিক্ত সময়ৰ বাবে মুখামুখি হয়। অতিৰিক্ত সময়ো গলবিহিনভাৱে সমাপ্ত হয়।

পেনাল্টিৰ জৰিয়তে ফলাফল নিৰ্ণয় হোৱা খেলখনত মৰক্কোৱে ৩-২ৰ ব্যৱধানত জয়লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০০০

০০০০০

সমাপ্ত